জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩/২০২২

**তেজপুৰ বিশ্ববিদ্যালয়ৰ ১৯ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# গৱেষণা আৰু উদ্ভাৱনৰ দিশত তেজপুৰ বিশ্ববিদ্যালয়ে উল্লেখযোগ্য অৰিহণা যোগাবলৈ সক্ষম হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দৰ উপস্থিতিত আজি অনুষ্ঠিত তেজপুৰ বিশ্ববিদ্যালয়ৰ ১৯ সংখ্যক সমাৱৰ্তনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

সমাৱৰ্তনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ফলত তেজপুৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল। মুখ্যমন্ত্ৰীয়ে অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৯৪ চনত তেজপুৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা এই শিক্ষানুষ্ঠানখনে জ্ঞানৰ গৌৰৱান্বিত পৰম্পৰাক পুনৰুজ্জীৱিত কৰা আৰু দেশৰ গৱেষণা ভিত্তিক শিক্ষা ব্যৱস্থাক আগুৱাই নিয়াৰ দিশত নিৰন্তৰ প্ৰয়াস চলাই আহিছে। এই দিশত এই শিক্ষা প্ৰতিষ্ঠানখনে উল্লেখযোগ্য বৰঙনি আৰু সফলতা কঢ়িয়াই অনা বিষয়টোৱে সকলোকে গৌৰৱান্বিত কৰিছে বুলিও তেওঁ কয়। ইয়াৰ অধ্যাপক-অধ্যাপিকা তথা গৱেষকসকলে কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায়ৰে উৎকৃষ্ট মানৰ সম্পদ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে এই বিশ্ববিদ্যালয় চৌহদত আটকধুনীয়া এটি ক্ৰীড়া প্ৰকল্প ৰাজ্য চৰকাৰে নিৰ্মাণ কৰিব বুলি কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে তেজপুৰ এক ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ এখন চহৰ। এই চহৰৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদিৰ দৰে বিশিষ্ট ব্যক্তিসকলে অসমীয়া সমাজ জীৱনলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। মুখ্যমন্ত্ৰীয়ে আজিৰ এই অভিৱৰ্তনত ডিগ্ৰী আৰু ডিপ্ল'মা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

এই বছৰৰ সমাৱৰ্তনত সৰ্বমুঠ ১২৪৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী আৰু ডিপ্লমা প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ৬০ গৰাকী পি এইছ ডি, ৭১৭ গৰাকী স্নাতকোত্তৰ, ৪০১ গৰাকী স্নাতক (বি টেক / বি এছ চি / বি এ / এছ চি বি এড / বি এ বি এড / বি ক'ম) আৰু ৬৮ গৰাকী পি জি ডিপ্ল'মা আছে। ৰাষ্ট্ৰপতিয়ে ৪৫ গৰাকী শীৰ্ষ ছাত্ৰ-ছাত্ৰীক সোণৰ মেডেল প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দৰ সহধৰ্মিনী সবিতা কোবিন্দ, বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ভি কে জৈন আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**

**২৬-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in